**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-10-2024 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

কেন্দ্ৰীয় বস্ত্ৰ শিল্প আৰু বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি যোৰহাটৰ লাহদৈগড়ত কেন্দ্ৰীয় মুগা, এড়ী, গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ ৰূপালী জয়ন্তী উদযাপন কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। এই প্ৰতিষ্ঠানটোৱে ৰেচম উদ্যোগ বিশেষকৈ মুগা আৰু এড়ি, ৰেচম সূতা উৎপাদনৰ ক্ষেত্ৰত বিগত ২৫ বছৰে গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়াই আহিছে। আজিৰ উদ্বোধনী অধিবেশনৰ পাছতেই প্ৰদৰ্শনী মুকলি, কেন্দ্ৰীয় ৰেচম বোৰ্ডৰ ইতিহাস দেৱাল আদি উন্মোচন, তথ্যচিত্ৰ আৰু স্মাৰক উন্মোচন, গ্ৰন্থ উন্মোচন কাৰ্যসূচী আদি লোৱা হব।

০০০০

**সমৰ্থ** আঁচনিৰ অধীনত আজি দক্ষতা বিকাশৰ প্ৰশিক্ষণ আৰু কেন্দ্ৰীয় চৰকাৰৰ হস্ততাঁত মন্ত্ৰালয়ৰ অধীনত আৰণ্যবিদ্যা আঁচনিৰ বাবে গুৰু-শিষ্য হস্তশিল্প প্ৰশিক্ষণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব। কাজিৰঙাৰ কঁহৰা সন্মিলন কক্ষত কাষৰীয়া অঞ্চলৰ বাসিন্দাৰ বাবে অনুষ্ঠিত হ'বলগীয়া এই কাৰ্যসূচীৰ মুকলি অনুষ্ঠানত বস্ত্ৰশিল্প আৰু বিদেশ পৰিক্ৰমা বিভাগৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা মুখ্য অতিথি ৰূপে উপস্থিত থকাৰ লগতে অতুল বৰা, কেশৱ মহন্তকে ধৰি কেইবাগৰাকীও মন্ত্ৰী তথা সাংসদ উপস্থিত থাকিব।

উল্লেখ্য যে থলুৱা কাৰুশিল্প উন্নয়নৰ বাবে হস্ততাঁত আৰু পৰ্যটন গাঁৱৰ প্ৰতিষ্ঠা, স্থানীয় লোকৰ দ্বাৰা ৰেস্তোঁৰা আৰু ইকো ট্যুৰিজমৰ সুবিধা, জীপচালক আৰু মাউতক প্ৰশিক্ষণ প্ৰদান আদিকে ধৰি বিভিন্ন পৰিকল্পনা তথা লক্ষ্য এই কাৰ্যসূচীৰ জৰিয়তে নিৰ্ধাৰণ কৰা হৈছে।

০০০০০০০০

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনী তৎপৰতা ক্ৰমাৎ বৃদ্ধি পাইছে। কংগ্ৰেছ দলে বিহালী সমষ্টিৰ বাবে জয়ন্ত বৰাক কালি প্ৰাৰ্থিত্ব প্ৰদান কৰে। নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কালি চাৰিগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে।

বিহালী সমষ্টিত ভাৰতীয় জনতা পাৰ্টি প্ৰক্ষেপিত প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰে বিশ্বনাথ জিলা আয়ুক্ত কাৰ্যালয়ত কালি মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ সময়ত মন্ত্ৰী পীযুষ হাজৰিকা, ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাৰ লগতে সাংসদ ৰঞ্জিত দত্ত আৰু বহুকেইজন বিধায়ক উপস্থিত থাকে।

ধলাই সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী নিহাৰৰঞ্জন দাসে আজি আৰু চামগুৰি সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাই কাইলৈ মনোনয়ন পত্ৰ দাখিল কৰিব। চামগুৰি সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী টানজিল হুছেইনে আজি মনোননয় পত্ৰ দাখিল কৰিব। মনোনয়ন পত্ৰ দাখিলৰ সময়ত প্ৰাৰ্থীগৰাকীৰ সৈতে কংগ্ৰেছৰ সভাপতি ভূপেন বৰা আৰু দলৰ আন কেইবাগৰাকীও নেতা উপস্থিত থাকিব।

সমাগত উপ-নিৰ্বাচনৰ বাবে আন সমষ্টিকেইটাৰ দৰে ৩১ নম্বৰ চিডলী বিধানসভা সমষ্টিতো তৎপৰতা বৃদ্ধি পাইছে। সমষ্টিটোত আজি এন ডি এ সমৰ্থিত ইউ পি পি এল দলৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্মাই মনোনয়ন দাখিল কৰিব। সমষ্টিটোৰ কংগ্ৰেছ প্ৰাৰ্থী সঞ্জীৱ ওৱাৰীয়ে কালি মনোনয়ন পত্ৰ দাখিল কৰিছিল।

০০০০০০০

পূব মধ্য বংগোপসাগৰত সৃষ্টি হোৱা ডানা নামৰ ঘূৰ্ণীবতাহ জাকে আজি নিশা বা কাইলৈ নিচেই পুৰা ভিটৰকণিকা আৰু ধাম্ৰাৰ মাজত ওড়িশাৰ উপকূলভাগত খুন্দা মৰাৰ সম্ভাৱনা আছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে বতাহজাকে খুন্দা

মৰাৰ সময়ত প্ৰতি ঘণ্টাত ১০০ৰ পৰা ১২০ কিলোমিটাৰ বেগেৰে বতাহ বলিব পাৰে বুলি সতৰ্ক কৰি দিছে। বতাহ জাক সম্প্ৰতি ওড়িশাৰ পাৰাদ্বীপৰ পৰা ৪২০ কিলোমিটাৰ আৰু ধাম্ৰাৰ উপকূলভাগৰ পৰা ৪৫০ কিলোমিটাৰ নিলগত আৰু পশ্চিম বংগৰ সাগৰ দ্বীপৰ উপকূল ভাগৰ পৰা ৫০০ কিলোমিটাৰ নিলগত কেন্দ্ৰীভূত হৈ আছে। বতাহজাকৰ ফলত ওড়িশাৰ কেন্দ্ৰপাৰা, বালেশ্বৰ আৰু ভদ্ৰক জিলাৰ সৰ্বাধিক ক্ষতি হ'ব পাৰে বুলি আশংকা কৰা হৈছে। বতাহ জাকৰ প্ৰভাৱত এই জিলাকেইখনত প্ৰবলতৰ বৰষুণ হ'ব পাৰে। ৰাজ্যখনৰ অন্য ১১খন জিলাতো ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ধুমুহা জাকৰ সম্ভাৱনালৈ চাই ভূৱনেশ্বৰত বিজু পাটনায়ক আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ সেৱা আজি বিয়লি ৫ বজাৰ পৰা কাইলৈ পুৱা ৯ বজালৈ বাতিল কৰা হৈছে। ঘূৰ্ণীবতাহৰ প্ৰভাৱত অসমতো বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে কোনো কোনো ঠাইত পাতলীয়া বৰষুণ হৈ আছে।

০০০০০০০

অসম চৰকাৰৰ সৌজন্যত তথা বাৰেকুৰিৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহযোগত কালিৰে পৰা দুদিনীয়াকৈ বিশ্ব হলৌ দিৱসৰ আয়োজন কৰা হৈছে। এই দিৱস উপলক্ষে আজি তিনিচুকীয়া জিলাৰ বাৰেকুৰিত বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হৈছে। উল্লেখযোগ্য যে পৰ্যটনৰ ক্ষেত্ৰ হিচাপে বাৰেকুৰি হলৌ বান্দৰৰ বাবে প্ৰখ্যাত হৈ পৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৭ অক্টোবৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৫ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই খণ্ডটিৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। কাইলৈ পৰ্যন্ত লাভ কৰা দিহা-পৰামৰ্শসমূহ বিবেচনাযোগ্য হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণী নিউজৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে  এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ শুনিব পৰা যাব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

**সমাপ্ত**